# বসুন্ধৰা

ভূগোল বিভাগ

দ্বিতীয় বৰ্ষ

# হাতেৰে লিখা আলোচনী

দুলীয়াজান মহাবিদ্যালয় (স্থাপিত ১৯৮৯)

ভূগোল বিভাগ

বিষয় -

## অসমৰ ঐতিহ্য

# সূচীপত্ৰ


লিখনী

১. সম্পাদকীয় একলম
২. সম্পাদকীয় মণ্ডলী
৩. শুভেচ্ছাবাণী
৪. শ্ৰদ্ধাঞ্জলি
৫. অসমৰ পৰিচয়
৬. উৎসৱ পাৰ্ব
৭. নৃত্য আৰু সংগীত
৮. খাদ্য সংস্কৃতি
৯. পৰম্পৰাগত শিল্পানি
১০. হস্তশিল্প
১১. অসমৰ সংস্কৃতি
১২. জীৱনধাৰা
১৩. প্ৰাকৃতিক ঐতিহ্য
১৪. আকৰ্ষণীয় তথ্য

সাহিত্যৰ শিতান

১. কবিতা -(মোৰ আই অসমী)
২. চুটিগল্প-(গামোচাৰ মৰম)
৩. সৰু নিবন্ধ - (অসমৰ সাংস্কৃতিক মূল্য)
৪. উক্তি

# সম্পাদকীয় একলম

অসম হৈছে ভাৰতবৰ্ষৰ এখন সুন্দৰ আৰু ঐতিহ্যপূৰ্ণ ৰাজ্য। ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য, সাংস্কৃতি, ভাষা, উৎসৱ-পৰ্ব আৰু জীৱন-যাপনৰ পদ্ধতি একেবাৰে বিশেষ। অসমৰ মানুহৰ জীৱনত সাংস্কৃতি এক গুৰুত্বপূৰ্ণ অংশ, যি তেওঁলোকৰ দৈনন্দিন জীৱনত প্ৰকাশ পায়। এই প্ৰাচীৰ পত্ৰিকাখনৰ জৰিয়তে আমি অসমৰ ঐতিহ্য, সাংস্কৃতি আৰু পৰম্পৰা সুন্দৰভাৱে উপস্থাপন কৰাৰ চেষ্টা কৰিছো। ইয়াৰ জৰিয়তে নতুন প্ৰজন্মই নিজৰ সাংস্কৃতিৰ বিষয়ে অধিক জানিবলৈ আৰু সংৰক্ষণ কৰিবলৈ উৎসাহ লাভ কৰিব বুলি আশা কৰোঁ।

# সম্পাদকীয় মণ্ডলী

সম্পাদকসকল -

শ্ৰীমতী ৰাংপী গগৈ, শ্ৰীমতী জেৰা চুলতানা, শ্ৰীমতী বুককী শইকীয়া

লিখনী দল

শ্ৰীমতী সুমিত্ৰা তামুলী, শ্ৰী জ্যোতিষ্ক খাদুমীয়া

চিত্ৰাঙ্কন দল -

শ্ৰীমতী কল্পী গগৈ, শ্ৰীমতী পিয়াংকা সোনাৰ, শ্ৰী অভিষেক বৰগোহাঞি

দায়িত্বপ্ৰাপ্ত শিক্ষক -

তুলিকা বৰুৱা, নন্দিতা চাহা

# শুভেচ্ছাবাণী

'বসুন্ধৰা' যেন এক উৰ্বৰ মাটি, য'ত চিন্তা সৃষ্টিশীলতাৰ বীজ ৰোপন কৰা হৈছে। এই দ্বিতীয় সংস্কৰণ সেই বীজৰেই এক সুন্দৰ অংকুৰণ। এইবাৰৰ বিষয় 'অসমৰ ঐতিহ্য' ই আমাক পুনৰ শিপাৰ সৈতে সংযোগ কৰিছে।

এটি নতুন বিভাগ হিচাপে ভূগোল বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ এই প্ৰচেষ্টা সঁচাকৈয়ে প্ৰশংসনীয়। মই কামনা কৰো এই অংকুৰণ এদিন এক বৃহৎ বৃক্ষত পৰিণত হওক।

বহুত মৰম আৰু অন্তৰৰ পৰা আন্তৰিক শুভেচ্ছাৰে—

তুলিকা বৰুৱা
বিভাগীয় মুৰব্বী
ভূগোল বিভাগ
দুলীয়াজান মহাবিদ্যালয়।

# শ্ৰদ্ধাঞ্জলি

"অসমৰ সুৰৰ দিগন্তত জ্বলি থকা এটা উজ্জ্বল নাম - জুবিন গাৰ্গ।"

তেওঁ কেৱল এজন গায়ক নাছিল, তেওঁ আছিল এক অনুভৱৰ এক যুগ। তেওঁৰ কণ্ঠত অসমৰ মাটি, মানুহ আৰু সংস্কৃতিৰ আত্মা জী উঠিছিল। প্ৰতিটো গানত তেওঁ এৰি গৈছে গভীৰ অনুভৱ, প্ৰেম, বেদনাৰ স্পৰ্শ।

আজিও তেওঁৰ সুৰ বতাহত বাজে, মানুহৰ হৃদয়ত অনুৰণিত হয়। তেওঁ আমাৰ মাজত নাথাকিলেও, তেওঁৰ সংগীত সদায় অমৰ হৈ থাকিব। তেওঁলৈ গভীৰ শ্ৰদ্ধা আৰু আন্তৰিক প্ৰণাম।

"জুবিন গাৰ্গ সদায় আমাৰ হৃদয়ত জীয়াই থাকিব।

# অসমৰ পৰিচয়

অসম ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত অৱস্থিত এখন অত্যন্ত গুৰুত্বপূৰ্ণ ৰাজ্য, যি নিজৰ প্ৰাকৃতিক সৌন্দৰ্য সাংস্কৃতিক বৈচিত্ৰ্য আৰু ঐতিহাসিক পৰম্পৰাৰ বাবে বিশেষ পৰিচিত। ভৌগোলিকভাৱে অসম এখন উপত্যকা অঞ্চল, যাৰ মাজেৰে ব্ৰহ্মপুত্ৰ আৰু বৰাক নদী বৈ গৈছে। এই নদীদ্বয়ে কেৱল প্ৰাকৃতিক সৌন্দৰ্যই সৃষ্টি কৰা নাই, ই অসমৰ কৃষি, অৰ্থনীতি আৰু জীৱনধাৰণাত গভীৰ প্ৰভাৱ পেলাইছে। অসমৰ মাটি অতি উৰ্বৰা, যাৰ ফলত ইয়াত ধান, চাহ, গছ-গছনি আদি উৎপাদন অধিক পৰিমাণে হয়। বিশেষকৈ অসমীয়াৰ চাহ বিশ্ববিখ্যাত, যিয়ে অসমৰ অৰ্থনৈতিক উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে ইয়াৰ উপৰিও তেল আৰু প্ৰাকৃতিক গেছো অসমৰ প্ৰধান সম্পদ।

সাংস্কৃতিক দিশত অসম এক মিলনস্থলী। ইয়াত আহোম, বড়ো, মিচিং, কাৰ্বি, ৰাভা আদি বহু জাতি-জনজাতিৰ মানুহে একেলগে বাস কৰে। এই বৈচিত্ৰ্যই অসমৰ

সাংস্কৃতিক অধিক সমৃদ্ধ আৰু ৰঙীন কৰি তুলিছে। ভাষা, খাদ্যাভাস, পিন্ধনি, উৎসৱ - প্ৰতিটো ক্ষেত্ৰতেই এই বৈচিত্ৰ্য স্পষ্ট দেখা যায়। অসমীয়া সমাজত সৰলতা, অতিথিপৰায়ণতা আৰু সহমৰ্মিতা দেখা যায়। মানুহে একেলগে আনক সহায় কৰে আৰু সমাজৰ ঐক্য বজাই ৰাখে। এই গুণসমূহে অসমৰ সামাজিক জীৱনক অধিক শক্তিশালী কৰি তুলিছে।

অসম কেৱল এখন ৰাজ্য নহয়, ই ভাৰতৰ সাংস্কৃতিক বৈচিত্ৰ্যৰ এক উজ্জ্বল উদাহৰণ। ইয়াৰ প্ৰাকৃতিক বৈচিত্ৰ্যৰ এক উজ্জ্বল উদাহৰণ। ইয়াৰ প্ৰাকৃতিক সম্পদ, সাংস্কৃতিক ঐতিহ্য আৰু সামাজিক মূল্যবোধে ইয়াক এক অনন্য পৰিচয় প্ৰদান কৰিছে।

# "মোৰ অসম"

মোৰ অসম সেউজীয়া সপোনে ভৰা ভূমি,
নদীৰ সুৰে জাগে জীৱনৰ গান ।
ব্ৰহ্মপুত্ৰ বুকুত বহে ইতিহাসৰ ধ্বনি,
সেউজীয়া পৱনত জাগে আশা আৰু গান
পাহাৰৰ ছাঁত লুকাই আছে নীৰৱ কাহিনী,
মানুহৰ হৃদয়ত আছে মৰমৰ স্থান ।
ঐতিহ্যৰ ৰঙেৰে ৰঙীন প্ৰতিটো দিন,
মোৰ অসম সদায় গায় জীৱনৰ গান ।

# উৎসৱ-পাৰ্ব (অসম)

অসমৰ উৎসৱ-পাৰ্বসমূহ ইয়াৰ সংস্কৃতি আৰু সমাজ জীৱনৰ এক গুৰুত্বপূৰ্ণ অংশ। এইবোৰ কেৱল আনন্দ কৰাৰ বাবে নহয়; ই মানুহৰ জীৱনধাৰা, বিশ্বাস আৰু ঐক্যৰ প্ৰতিফলন অসমৰ অধিকাংশ উৎসৱ কৃষিৰ সৈতে জড়িত, যি এই ৰাজ্যখনৰ কৃষিভিত্তিক সমাজক আঙুলিয়াই দেখুৱায়।
অসমৰ আটাইতকৈ প্ৰধান উৎসৱ হৈছে বিহু। ই বছৰত তিনিবাৰ উদ্‌যাপন কৰা হয় - ৰঙালী, ভোগালী আৰু কঙালী বিহু। ৰঙালী বিহুত মানুহে নতুন বস্ত্ৰ পিন্ধে আৰু নাচ-গান কৰে। ভোগালী বিহুত মানুহে প্ৰাৰ্থনা কৰে আৰু সৰলভাৱে উৎসৱ পালন কৰে, যি ধৈৰ্য আৰু বিশ্বাসৰ পৰিচয় দিয়ে। ইয়াৰ উপৰিও অসমৰ বিভিন্ন জনজাতিৰ নিজা নিজা উৎসৱ আছে, যিবোৰে ৰাজ্যখনৰ সাংস্কৃতিক বৈচিত্ৰ্য প্ৰকাশ কৰে। এই উৎসৱসমূহত মানুহে সকলো ভেদাভেদ পাহৰি একেলগে অংশগ্ৰহণ কৰে, যাৰ ফলত সমাজত সম্প্ৰীতি আৰু ঐক্য বৃদ্ধি পায়। উৎসৱ-পাৰ্বসমূহে আমাৰ সংস্কৃতি জীয়াই ৰাখে, মানুহৰ মাজত মিলন আৰু সন্মান বৃদ্ধি কৰে আৰু নতুন

প্ৰজন্মক নিজৰ ঐতিহ্যৰ সৈতে সংযুক্ত কৰি ৰাখে। এইবোৰে জীৱনত আনন্দ আনে আৰু সমাজক শক্তিশালী কৰে।



# নৃত্য আৰু সংগীত

অসমৰ নৃত্য আৰু সংগীত ইয়াৰ সাংস্কৃতিৰ এক গুৰুত্বপূৰ্ণ অংশ। এইবোৰে অসমীয়া মানুহৰ অনুভূতি, আনন্দ আৰু জীৱনধাৰা প্ৰকাশ কৰে। অসমৰ আটাইতকৈ জনপ্ৰিয় নৃত্য হৈছে বিহু যি ৰঙালী বিহুৰ সময়ত পৰিৱেশন কৰা হয়। এই নৃত্যত ল'ৰা-ছোৱালীয়ে একেলগে আনন্দৰে অংশ গ্ৰহণ কৰে। অসমৰ সংগীতত বিভিন্ন ধৰণৰ লোকগীত দেখা যায়, যেনে বিহু গীত আদি। এইবোৰ গীতত প্ৰেম, প্ৰকৃতি আৰু সামাজিক জীৱনৰ প্ৰতিফলন দেখা যায়। বাদ্যযন্ত্ৰ ক্ষেত্ৰত ঢোল, পেপা আৰু গগনা বিশেষভাৱে ব্যৱহাৰ কৰা হয়। এইবোৰে নৃত্য আৰু সংগীতক অধিক আকৰ্ষণীয় কৰি তোলে। নৃত্য আৰু সংগীতে অসমৰ সাংস্কৃতিক পৰিচয় বজাই ৰাখে আৰু মানুহৰ মাজত আনন্দ আৰু ঐক্য সৃষ্টি কৰে।

# ঝুমুৰ নৃত্য

এক শতিকাতকৈও বেছি দিন অসমৰ বাসিন্দা হিচাপে প্ৰতিষ্ঠা লাভ কৰা-চাহ জনগোষ্ঠীয়ে তেওঁলোকৰ লোকনৃত্যক চাহ বাগানৰ ঝুমুৰ নাচ হিচাপে সাংশ্লেষিত কৰি প্ৰতিষ্ঠা কৰিছে এই নাচ বৰ দৃষ্টি নন্দন। কোনোবা চাহ বাগানলৈ যোৱা পৰ্য্যটকে সহজে এই নাচ দেখিবলৈ পাব। চাহ জনগোষ্ঠীৰ লৰা-ছোৱালী বিলাকে একেলগে বা কেতিয়াবা ছোৱালী বিলাকে অকলে সঠিকভাৱে পদচালনা কৰি ইজনীয়ে সিজনীৰ কঁকালত টানকৈ মেৰাই ধৰি এই সাংশ্লেষিত ধৰণৰ নাচটো নাচে।

# ঝুমুৰ নৃত্য



# সত্ৰীয়া

সত্ৰীয়া নৃত্য শৈলী হৈছে অসমৰ ধ্ৰুপদী নৃত্য অসমৰ ধৰ্মীয় আৰু সাংস্কৃতিক সূতাৰ মূল। আঠবিধ ভাৰতীয় প্ৰধান ধ্ৰুপদী নৃত্যৰ ভিতৰত হয়ো এটা নাচ। যদিও কিছু বছৰৰ পূৰ্বে আন কিছুমান পৰম্পৰা পুনৰ জীৱিত কৰা হৈছে, তথাপি ১৫ শ শতিকাত অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সৃষ্টি সত্ৰীয়া নাচ এটা জীৱন্ত পৰম্পৰা হিচাপেই ৰৈ গৈছে। সত্ৰীয়া নাচৰ এটা জীৱন্ত নৃত্য। সত্ৰীয়া নাচৰ মূল ভেটিটো স্বাভাৱিকতেই উপকথা সম্বন্ধীয়। মানুহৰ মনত উপাখ্যানৰ শিক্ষা, তৎকালে আৰু আনন্দ-উপভোগৰ আহিলা হিচাপে কলাসুলভভাৱে প্ৰতিষ্ঠা কৰাৰ এইটোৱে উপায়।


সত্ৰীয়া
নৃত্য

# বিহু

বিহু হৈছে অসমৰ আটাইতকৈ জনপ্ৰিয় লোক নৃত্য। বিহুৰ বতৰত ডেকা-গাভৰুৱে বিহু নৃত্য পৰিবেশন কৰে, যাৰ অৰ্থ হৈছে আৱেগ, সৃষ্টি কৰ্ম আৰু আনন্দ। এই নৃত্যৰ বিশেষত্ব হৈছে সক্ৰিয় পদচালনা আৰু ময়ূৰকীয়া হস্ত পৰিধান কৰে। নাচৰ লগে লগে ঢোল, পেঁপা, গগনা, বাঁহী ইত্যাদি সংগত কৰে। বিহু নাচৰ আদিটো জনা নাযায় যদিও তথ্য মতে ১৬৯৪ খৃ:ৰ আগে পাছে আহোম ৰজা ৰুদ্ৰ সিংহই ৰং ঘৰৰ বাকৰিত বহাগ মাহত বিহু নাচিবলৈ আমন্ত্ৰণ কৰাৰ তথ্য পোৱা যায়।

# বিহু নৃত্য



# বাগুৰুম্বা

বড়ো জনগোষ্ঠীয়ে গৌৰৱ কৰিব পৰাৰ জোখাৰে কেইবিলাক
লোকনৃত্য আছে। এই নাচটোত ধীৰ গতিৰে পদচালনা কৰে
আৰু হাত দুখন বহলকৈ মেলি দিয়ে। প্ৰায় বিশজনীমান
ছোৱালীয়ে বৰ ৰং-চঙীয়া পোচাক পৰিধান কৰি এই নাচটো
নাচে, লগতে বড়ো পৰম্পৰাৰ বাদ্যযন্ত্ৰ সংগত কৰে।
বড়ো বসতিপূৰ্ণ কোকৰাঝাৰ, বঙাইগাওঁ, নলবাৰী, দৰং
আৰু শোণিতপুৰ জিলালৈ যোৱা পৰ্য্যটকে সাধাৰণতে এই
নাচটো চাবলৈ পায়। এপ্ৰিল মাহৰ মাজ ভাগৰ বিষুৱ
সংক্ৰান্তিত অনুষ্ঠিত বড়ো জনগোষ্ঠীৰ মাজত প্ৰচলিত এই
আকৰ্ষণীয় বাগুৰুম্বা নাচটোক পখিলাৰ নাচ বুলিও কোৱা
যায়, কিয়নো ইয়াতে নাচনীৰ ভঙ্গী বিলাক চৰাই বা
পখিলাৰ দৰে হয়গৈ। কনিষ্ঠ লোক সকলে জেষ্ঠ জনলৈ
সন্মানপূৰ্ব্বক মূৰ দোৱাই সন্মান যাচে।

# বড়ো নৃত্য



# দেওধনী

সৰ্পদেৱী মনসা দেৱীৰ পূজাৰ লগত দেওধনী নৃত্য সংপৃক্ত। এজনী দেওধনীয়ে অনুপ্ৰাণিত হৈ নাচি নাচি ঢোল বাদক আৰু বাঁহী বাদকৰ ওচৰলৈ গৈ বহুবিলাক দেৱ-দেৱীৰ উদ্দেশ্যে নাচ প্ৰদৰ্শন কৰে, এই নাচ শিৱৰ নামত আৰম্ভ হৈ লক্ষ্মীৰ নামত শেষ হয়। আচলতে দেওধনী নৃত্য দুবিধ। এবিধ হৈছে অৰ্দ্ধ-ধ্ৰুপদী আৰু আনবিধ হৈ হৈছে অৰ্দ্ধ-চেতন। মঙ্গলদৈ আৰু দক্ষিণ-পশ্চিম কামৰূপ অঞ্চলত চলা দেওধনী নৃত্য কামাখ্যা মন্দিৰত বিশেষভাৱে পালন কৰা হয়। ২৯-০৮-০৭ তাৰিখে কামাখ্যা মন্দিৰত দেওধনী নৃত্য প্ৰদৰ্শন কৰা হৈছিল। এই নাচত অনুৰক্ত মানুহজনে ৰঙা ৰঙেৰে নিজৰ গাটো বোলাই লয় তেওঁলোকে মা কামাখ্যালৈ ছাগলী আৰু পাৰ চৰাই উছৰ্গা কৰে। এই উৎসৱত ভাগ লোৱা সকলে কামাখ্যা দেৱীৰ দ্বাৰা ঐশ্বৰিক শক্তি লাভ কৰে বুলি বিশ্বাস কৰে।

# দেওধনী নৃত্য



# "বিহুৰ সুৰ"

ঢোলৰ ধ্বনিৰে কঁপি উঠে অসমৰ মাটি,
পেঁপাৰ সুৰে ভৰে হৃদয়ৰ গান।
নাচে মানুহ আনন্দৰে পাহৰি সকলো দুখ,
বিহুৰ সুৰে জাগে জীৱনৰ গান।
গগনাৰ অনন্ত মিলে মন আৰু প্ৰাণ,
হাঁহিৰে ভৰে আকাশ আৰু পথাৰখন।
সংগীতৰ মাজেৰে জীৱন পায় নতুন ৰং
অসমে গায় চিৰদিন আনন্দৰ গান।

# খাদ্য সংস্কৃতি



অসমৰ খাদ্য সাংস্কৃতি ৰাজ্যখনৰ ভৌগোলিক অৱস্থান আৰু প্ৰাকৃতিক সম্পদৰ সৈতে ঘনিষ্ঠভাৱে জড়িত। ব্ৰহ্মপুত্ৰ উপত্যকাৰ উৰ্বৰা মাটিৰ ধান উৎপাদন বেছি হোৱা বাবে চাউল অসমীয়া মানুহৰ মুখ্য খাদ্য। নদী আৰু জলাশয়সমূহত মাছৰ প্ৰাচুৰ্য থাকিবলৈ মাছো দৈনন্দিন খাদ্যৰ এক গুৰুত্বপূৰ্ণ অংশ। আৰ্দ্ৰ উষ্ণ জলবায়ু আৰু সেউজীয়া পৰিৱেশৰ বাবে বিভিন্ন শাক-পাচলি আৰু বনজ খাদ্য ব্যৱহাৰ কৰা হয়, যি খাদ্যক স্বাস্থ্যকৰ কৰি তোলে। অসমীয়া খাদ্যৰ এক বিশেষ বৈশিষ্ট্য হৈছে খাৰ, যি স্থানীয় উদ্ভিদ সম্পদৰ ব্যৱহাৰৰ এক উৎকৃষ্ট উদাহৰণ। উৎসৱ-পৰ্বৰ সময়ত, বিশেষকৈ বিহুত পিঠা আৰু লাৰু তৈয়াৰ কৰা হয়। যি সামাজিক ঐক্য আৰু আনন্দৰ প্ৰতীক। ইয়াৰ লগতে অসমৰ চাহ বিশ্ববিখ্যাত আৰু ৰাজ্যখনৰ

অৰ্থনীতিৰ সৈতে জড়িত। অসমৰ খাদ্য সাংস্কৃতি কেৱল খোৱা-বোৱাৰ ধৰণ নহয়, ই প্ৰকৃতি আৰু মানুহৰ সম্পৰ্কৰ এক জীৱন্ত প্ৰতিফলন।




# পৰম্পৰাগত পিন্ধনি

অসমৰ পৰম্পৰাগত পিন্ধনি অসমৰ সাংস্কৃতি আৰু পৰিচয়ৰ এক গুৰুত্বপূৰ্ণ অংশ। এইবোৰ কেৱল কাপোৰ নহয়; ই আমাৰ ঐতিহ্য, জীৱনধাৰা আৰু সামাজিক মূল্যবোধৰ প্ৰতিফলন। মহিলা সকলৰ মুখ্য পিন্ধনি হৈছে মেখেলা-চাদৰ, যি সাধাৰণতে মুগা, পাট বা এৰী ৰেচমেৰে তৈয়াৰ কৰা হয়। এই পিন্ধনিখনত সুন্দৰ ফুল আৰু পৰম্পৰাগত ডিজাইন থাকে, যি অসমৰ শিল্পকলাৰ সৌন্দৰ্য প্ৰকাশ কৰে। বিয়া, বিহু আদি উৎসৱত এই পিন্ধনি অধিক ব্যৱহাৰ কৰা হয়। পুৰুষসকলৰ পিন্ধনি হৈছে ধোতি আৰু কুৰ্তা আৰু গামোচা ইয়াৰ লগত অতি গুৰুত্বপূৰ্ণ।



গামোচা অসমীয়া সংস্কৃতিৰ এক প্ৰতীক, যি সন্মান আৰু আতিথ্যৰ চিন হিচাপে ব্যৱহাৰ কৰা হয়। অসমৰ শিল্পানিত ব্যৱহৃত মুগা আৰু পাট ৰেচম বিশ্ববিখ্যাত। এইবোৰে অসমৰ সাংস্কৃতিক গৌৰৱ বৃদ্ধি কৰাৰ লগতে বহু মানুহকে জীৱিকা প্ৰদান কৰে।

পৰম্পৰাগত শিল্পানিসমূহে আমাৰ সাংস্কৃতিক গৌৰৱ বৃদ্ধি কৰাৰ লগতে আমাৰ সাংস্কৃতিক পৰিচয় বচাই ৰাখে আৰু নতুন প্ৰজন্মক নিজৰ ঐতিহ্যৰ সৈতে সংযুক্ত কৰি ৰাখে।





# হস্তশিল্প

অসমৰ হস্তশিল্প ইয়াৰ সাংস্কৃতি আৰু সৃষ্টিশীলতাৰ এক গুৰুত্বপূৰ্ণ প্ৰতিফলন। এই শিল্পসমূহ স্থানীয় প্ৰাকৃতিক সম্পদ, বিশেষকৈ বাঁহ আৰু কাঁহ ব্যৱহাৰ কৰি গাঢ় উঠিছে, যি অসমৰ ভৌগোলিক পৰিৱেশৰ সৈতে সম্পৰ্কিত। বাঁহ আৰু কাঁহৰ পৰা টোপোলা, জাপি আৰু বিভিন্ন ব্যৱহাৰযোগ্য সামগ্ৰী তৈয়াৰ কৰা হয়। ইয়াৰ উপৰিও অসমৰ তাঁতশিল্প বিশেষভাৱে উল্লেখযোগ্য, যত মুগা, পাট আৰু এৰী ৰেচমেৰে মেখেলা-চাদৰ আৰু গামোচা তৈয়াৰ কৰা হয়। মাজুলীৰ মুখা শিল্প অসমৰ এক বিশেষ পৰম্পৰা, যি নাট্য-সাংস্কৃতিৰ সৈতে জড়িত। এইবোৰে অসমৰ কলা আৰু সাংস্কৃতিৰ গভীৰতা প্ৰকাশ কৰে। হস্তশিল্প অসমৰ গ্ৰাম্য অৰ্থনীতিৰ সৈতে জড়িত আৰু বহু মানুহে এই কামৰ জৰিয়তে জীৱিকা অৰ্জন কৰে। এইবোৰে স্থানীয় সম্পদৰ সঠিক ব্যৱহাৰ আৰু স্বনিৰ্ভৰতা বৃদ্ধি কৰে। অসমৰ হস্তশিল্প কেৱল শিল্প নহয়, ই সাংস্কৃতি অৰ্থনীতি আৰু পৰিচয়ৰ এক গুৰুত্বপূৰ্ণ অংশ।



# অসমৰ সংস্কৃতি

অসম দেশ বাখে বহনীয়া সাংস্কৃতিৰ মিলনভূমি। এই আন আনন্দ-ময়ী অসম দেশৰ জনসাধাৰণ বিভিন্ন জনগোষ্ঠীৰ যেনে, মঙ্গোলীয় ইণ্ডো-বাৰ্মা, ইণ্ডো-ইৰানীয়ান আৰু আৰ্য্য জনগোষ্ঠীৰ সংমিশ্ৰণ। এই সকলো জাতি-জনগোষ্ঠীৰ দীঘলীয়া সংমিশ্ৰণত অসমীয়া সাংস্কৃতিৰ এখন বুটবচা কাপোৰৰ দৰে ৰংচঙীয়া হৈ উঠিছে। ইয়াৰে স্থানীয় মানুহখিনিক অসমীয়া Assamese বুলি কোৱাৰ লগতে এই ৰাজ্যৰ ভাষাটোও অসমীয়া। এই ৰাজ্যত কেই-কিলাক জনগোষ্ঠী আছে, প্ৰতিটোৰে নিজৰ জীৱন ধাৰাৰে চলিত বিচিত্ৰ জনগোষ্ঠী সমূহ যেনে - বড়ো, কছাৰী, কাৰ্বি, মিৰি, মিছিমি, ৰাভা আদি অসমত একেলগে বসবাস কৰি আছে বেছিভাগ জনগোষ্ঠীৰে নিজৰ ভাষা আছে যদিও ৰাজ্যৰ মূল ভাষা হৈছে অসমীয়া। অসমৰ সাংস্কৃতিৰ সূতা জনত প্ৰভাৱ বিস্তাৰ কৰা প্ৰধান সাংস্কৃতিক আৰু ধৰ্মীয় অনুষ্ঠান দুটা হৈছে সত্ৰ, য'ত ৪০০ বছৰতকৈও বেছিভাগ ধৰ্মীয় আৰু সাংস্কৃতিক চৰ্চা কৰি অহা হৈছে আৰু আনটো হৈছে নামঘৰ, য'ত প্ৰাৰ্থনা কৰা হয়। অসমত আন আন ধৰ্ম যেনে - বৌদ্ধ, খৃষ্টান, হিন্দু

ইছলাম আদি ধৰ্মাৱলম্বী লোকো আছে। অসমৰ জাতীয় উৎসৱ বিহুক তিনিভাগত অসমীয়া জাতিয়ে ধৰ্ম-বৰ্ণ নিৰ্বিশেষে উৎসাহ-মাদনাৰে বহুবৰ্তেত পালন কৰে। তাৰোপৰি, শিল্পী, ভাস্কৰ্য, ৰাজমিস্ত্ৰী শিপিনি মৃৎশিল্পী, সোণাৰী, হাতীদাঁতৰ কাৰু শিল্পি, কাঠ, বাঁহ, বেত আৰু চামৰাৰ শিল্পীবিলাকে অসমত জাকত জিলিকা হৈ আছিল। তাত শিল্পটোৰ পৰম্পৰা অসমত এনেকুৱা যে প্ৰতিভাশালী অসমীয়া তিৰোতাই এই কথাটো লৈ গৌৰৱ কৰিব পাৰে। অসমীয়া তিৰোতাই তাঁত-শালত ৰেচম আৰু কপাহী সূতাৰে অনন্য সুন্দৰ কাপোৰ বব পাৰে, অনন্য সুন্দৰ ৰেচমৰ কাপোৰ, যেনে, এৰী, পাট আৰু জগৎ বিখ্যাত মুগাৰ কাপোৰৰ বাবে অসমৰ নাম আছে। উল্লেখযোগ্য যে, গান্ধীজীয়েও অসমীয়া শিপিনীক প্ৰশংসা কৰি কৈছিল যে, অসমীয়া শিপিনীয়ে তাঁত শালত সপোন বৈ তুলিয়াব পৰা শিল্পী। অসমীয়া মানুহৰ সাংস্কৃতিৰ চিন, যিটো সামাজিক চিন আৰু ধৰ্মীয় উৎসৱত এৰাব নোৱাৰা বস্তু সেইটো হৈছে গামোচাখন তাৰোপৰি তামোল-পান আমাৰ সাংস্কৃতিৰ এটা মূল্যবান সম্পদ।

# জীৱনধাৰা

অসমৰ জীৱনধাৰা সৰলতা, প্ৰকৃতিৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক আৰু সামাজিক মূল্যবোধৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছে। ব্ৰহ্মপুত্ৰ উপত্যকাৰ উৰ্বৰা মাটি আৰু অনুকূল জলবায়ুৰ বাবে অসমৰ অধিকাংশ মানুহ কৃষিৰ ওপৰত নিৰ্ভৰশীল। সেয়ে খেতি-বাতি, মাছ ধৰা আৰু প্ৰাকৃতিক সম্পদৰ ব্যৱহাৰ দৈনন্দিন জীৱনৰ এক গুৰুত্বপূৰ্ণ অংশ।

অসমীয়া মানুহৰ সাধাৰণতে সৰল আৰু অতিথিপৰায়ণ। গাঁও অঞ্চলত মানুহে একে-আনে সহায় কৰি জীৱন চলায়, যি সমাজত ঐক্য আৰু সম্প্ৰীতি বজাই ৰাখে। গামোচা আগবঢ়োৱা, একেলগে উৎসৱ পালন কৰা – এইবোৰ তেওঁলোকৰ জীৱনধাৰাৰ বিশেষ বৈশিষ্ট্য। সংস্কৃতি আৰু পৰম্পৰা জীৱনধাৰাৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত। বিহু, নৃত্য-সংগীত, পৰম্পৰাগত পিন্ধনি আৰু খাদ্য - এই সকলোবোৰ দৈনন্দিন জীৱনত প্ৰতিফলিত হয়। আধুনিকতাৰ প্ৰভাৱ থাকিলেও অসমীয়া মানুহে নিজৰ ঐতিহ্য বজাই ৰাখিবলৈ চেষ্টা কৰে।

অসমৰ জীৱনধাৰাই প্ৰকৃতি আৰু মানুহৰ মাজত সমন্বয় প্ৰকাশ কৰে, সামাজিক সম্প্ৰীতি বৃদ্ধি কৰে আৰু সাংস্কৃতিক পৰিচয় বজাই ৰাখে।

# প্ৰাকৃতিক ঐতিহ্য

অসমৰ প্ৰাকৃতিক ঐতিহ্য ইয়াৰ সৌন্দৰ্য আৰু সমৃদ্ধিৰ মূল আধাৰ। ৰাজ্যখন ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ মাজত অৱস্থিত, ঘন উৰ্বৰা মাটি, প্ৰচুৰ পানী আৰু সেউজীয়া পৰিৱেশে এক অনন্য প্ৰাকৃতিক দৃশ্য সৃষ্টি কৰিছে। এই ভৌগোলিক বৈশিষ্ট্যই অসমৰ জীৱনধাৰা আৰু সাংস্কৃতিক গভীৰভাৱে প্ৰভাৱিত কৰিছে। অসমত বিস্তৃত বনাঞ্চল, নদী পাহাৰ আৰু চাহ বাগিচা দেখা যায়। এইবোৰে কেৱল সৌন্দৰ্য বৃদ্ধি কৰা নাই, ই জীৱ-জন্তুৰ বাসস্থান হিচাপে গুৰুত্বপূৰ্ণ। কাজিৰঙা আৰু মানস আদি সংৰক্ষিত অঞ্চল সমূহ জৈৱ বৈচিত্ৰ্যৰ বাবে বিশ্বজুৰি জনাজাত। অসমৰ আৰ্দ্ৰ উষ্ণ জলবায়ু আৰু প্ৰাকৃতিক সম্পদে কৃষি আৰু বনজ সম্পদৰ বিকাশত সহায় কৰিছে। ইয়াৰ ফলত মানুহৰ জীৱনধাৰা প্ৰকৃতিৰ সৈতে গভীৰভাৱে সংযুক্ত হৈ আছিছে।

প্ৰাকৃতিক ঐতিহ্যই অসমৰ পৰিচয় গঢ়ে, পৰিৱেশ সুৰক্ষা নিশ্চিত কৰে আৰু জীৱ-জন্তু আৰু মানুহৰ

মাজত সমতা বজাই ৰাখে। এইবোৰ সংৰক্ষণ কৰা অতি প্ৰয়োজনীয়।

# আকৰ্ষণীয় তথ্য

১. মাজুলী — বিশ্বৰ সৰ্ববৃহৎ নদীদ্বীপ। মাজুলী ব্ৰহ্মপুত্ৰ নদীৰ মাজত অৱস্থিত এখন বিশাল দ্বীপ। ইয়াত বহু সত্ৰ আৰু সাংস্কৃতিক আৰু ধৰ্মীয় জীৱনৰ এক গুৰুত্বপূৰ্ণ কেন্দ্ৰ।

2. অসম — চাহ উৎপাদনত আগশাৰীৰ ৰাজ্য। অসম বিশ্ববিখ্যাত চাহ উৎপাদনৰ বাবে জনাজাত। ইয়াৰ আৰ্দ্ৰ উষ্ণ জলবায়ু আৰু উৰ্বৰা মাটি চাহৰ বাবে একেবাৰে উপযুক্ত। এইটো অসমৰ অৰ্থনীতিৰ এক ডাঙৰ অংশ।

৩. ব্ৰহ্মপুত্ৰ নদী — অসমৰ জীৱনৰ ধমনী ব্ৰহ্মপুত্ৰ কেৱল এখন নদী নহয়; ই অসমৰ কৃষি, পৰিবহন আৰু জীৱন ধাৰাৰ সৈতে জড়িত। এই নদীয়ে ৰাজ্যখনৰ ভৌগোলিক বৈশিষ্ট্য গঢ়ি তুলিছে।

৪. কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান — এক শৃংগ গড়ৰ ঘৰ এই উদ্যান বিশ্ববিখ্যাত কাৰণ ইয়াত একশৃংগ গড় পোৱা

যায় । ই অসমৰ জৈৱ বৈচিত্ৰ্যৰ এক উজ্জ্বল উদাহৰণ আৰু আমাৰ এক সম্পদ ।


৬. গামোচা – সন্মানৰ প্ৰতীক অসমীয়া গামোচা অতিথি আদৰণি আৰু সন্মানৰ চিন হিচাপে ব্যৱহাৰ কৰা হয় । ই অসমীয়া সংস্কৃতিৰ এক গুৰুত্বপূৰ্ণ অংশ ।

৮. বিহু – অসমৰ প্ৰধান উৎসৱ বিহু বছৰত তিনিবাৰ উদ্‌যাপন কৰা হয় আৰু ই কৃষি আৰু সামাজিক জীৱনৰ সৈতে জড়িত । ইয়াত নৃত্য-সংগীত, পিঠা-পনা আদি থাকে ।

৭. মুগা ৰেচম – বিশ্ববিখ্যাত সোণালী কাপোৰ অসমৰ মুগা ৰেচমৰ প্ৰাকৃতিক সোণালী ৰং থাকে আৰু ই অতি মূল্যবান । ই অসমৰ ঐতিহ্য আৰু অৰ্থনীতিৰ এক গুৰুত্বপূৰ্ণ অংশ ।

৮. বৈচিত্ৰ্যত ঐক্য – অসমত বিভিন্ন জাতি-জনজাতিৰ মানুহে একেলগে বাস কৰে । এই বৈচিত্ৰ্যই অসমৰ

সাংস্কৃতিক আৰু অধিক সমৃদ্ধ কৰিছে ।



# "মোৰ আই অসম"

অসমৰ বাটে বাটে বিয়পি ইতিহাসৰ ছাঁয়া,
ব্ৰহ্মপুত্ৰৰ ঢৌত বাজে অতীতৰ মায়া,
মোৰ জননী মাটিৰ গৰ্ভে গঢ়ে সাহসৰ গান
এই মাটিৰ স্মৰণে হৃদয় জ্বলে সৰ্বক্ষণ ধ্যান।

সেউজীয়া পাহাৰে ৰাখে সংস্কৃতিৰ ধ্বজা,
জনজাতিৰ কণ্ঠত বয় ঐক্যৰ সজাগ সুৰীয়া,
শৌৰ্য আৰু ত্যাগেৰে গঢ়া এই পৱিত্ৰ দেশ,
অসমৰ নামতেই জাগে আত্মাৰ সজীৱ জ্যোতিৰেশ।

চাহ বাগিচাৰ সুবাসে সজাই জীৱনৰ কাহিনী,
লোকগীতৰ সুৰে কয় ভালপোৱাৰ মিঠা বনী,
এই ভূমিৰ বাবে মোৰ হৃদয় থাকে সদায় প্ৰস্তুত,
অসমৰ গৌৰৱতেই মোৰ জীৱন সদায় সজীৱ মুক্ত।

নাম - হেবা চুলতানা
- চতুৰ্থ ষাণ্মাসিক

# "গামোচাৰ মৰম"

বহুদিন চহৰত পাঢ়ি থাকি ৰবি অলপ সলনি হৈ গৈছিল। নতুন বন্ধুবৰ্গ, নতুন চিন্তা – এইবোৰৰ মাজত সি নিজৰ গাঁও, নিজৰ মানুহ নিজৰ সাংস্কৃতিৰ পৰা অলপ আঁতৰি গৈছিল। গামোচা, বিহু – এইবোৰ তাৰ বাবে যেন লাহে লাহে মাত্ৰ এটা "old-fashion" বিষয় হৈ পৰিছিল। শীতৰ এদিন সি ঘৰলৈ ঘূৰি আহিল। ঘৰত সোমোৱাৰ লগে লগে তাৰ আইতাই নিঃশব্দে এখন গামোচা তাৰ হাতত ধৰাই দিলে। গামোচাখন পুৰণি আছিল, কিন্তু তাৰ ভিতৰত যেন বহু স্মৃতি সঞ্চিত আছিল।

ৰবিয়ে অলপ হাঁহি ক'লে,

"আইতা, এতিয়াও এইবোৰ ৰাখিছা নে? এতিয়া কোনে ব্যৱহাৰ কৰে এইবোৰ।

আইতাই অলপ থমকি, মৃদু হাঁহি এটা মাৰি ক'লে –

"এইখন কাপোৰ নহয় অ', এইখনত তোৰ দেউতাৰ ঘাম আছে, মোৰ সপোন আছে..... এইখনেই আমাৰ ঘৰ খনৰ মৰম।"

নাম- কুংকি শইকীয়া
- চতুৰ্থ ষাণ্মাসিক

ঘৰখন হঠাৎ নিস্তব্ধ হৈ পৰিল। ৰবিয়ে একো কথা নোৱাৰিলে। গামোচাখন হাতত লৈ মাজেঁতে সি যেন নিজৰ শৈশৱৰ দিনবোৰ দেখি পালে — বিহুৰ দিন, হাঁহি, আৰু সেই সৰল জীৱন।

তাৰ বুকুখন অলপ ধুকধুক কৰিলে। সি বুজিলে— যি বস্তুবোৰক সি "সাধাৰণ" বুলি এৰি গৈছিল, সেইবোৰেই আছিল তাৰ জীৱনৰ আটাইতকৈ মূল্যবান অংশ।

সেইদিনা ৰবিয়ে কেৱল এখন গামোচা নললে — সি নিজৰ শিপা আৰু নিজৰ পৰিচয় পুনৰ ঘূৰাই পালে।

নিজৰ সংস্কৃতি কেতিয়াও সৰু বুলি ভাবিব নালাগে — ইয়াতেই আমাৰ জীৱনৰ সঁচা মূল্য লুকাই থাকে।

# "অসমৰ সংস্কৃতিৰ মূল্য"

অসমৰ সাংস্কৃতি হৈছে এক জীৱন্ত পৰম্পৰা, যি আমাৰ দৈনন্দিন জীৱনত শ্বাস-প্ৰশ্বাসৰ দৰে জড়িত হৈ আছে। ই আমাৰ চিন্তা, আচৰণ আৰু সমাজৰ সৌন্দৰ্যক এক বিশেষ ৰূপ দিয়ে। অসমৰ মাটি কেৱল প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰা নহয়, ইয়াত মানুহৰ হৃদয়তো এক উষ্ণতা আৰু একতাৰ অনুভৱে বাস কৰে। বিহু, লোকসংগীত, পৰম্পৰাগত সাজ-পোছাক আৰু স্থানীয় খাদ্য - এই সকলোবোৰে আমাৰ জীৱনক আনন্দ আৰু গৌৰৱেৰে পূৰ্ণ কৰে। এই সাংস্কৃতি আমাক কেৱল আনন্দ নিদিয়ে, ই আমাক শিকায় কিদৰে একেলগে থাকিব লাগে। ই আমাক সন্মান আৰু মৰমেৰে জীৱন আগবঢ়াব লাগে। ই আমাৰ অতীতৰ কাহিনী কঢ়িয়াই আনে আৰু ভৱিষ্যতৰ পথ দেখুৱাই।

যদি আমি নিজৰ সাংস্কৃতিৰ পৰা দূৰ হৈ যাওঁ তেন্তে ধীৰে ধীৰে আমাৰ নিজৰ পৰিচয়ও যথেষ্ট অস্পষ্ট হৈ যাব পাৰে। সেয়ে ইয়াক যত্নৰে ধৰি ৰখা আৰু আগবঢ়াই নিয়া আমাৰ দায়িত্ব। সাংস্কৃতি এক অনুভৱ-যি আমাৰ হৃদয়ত নিজৰ মাটিৰ প্ৰতি গভীৰ ভালপোৱা জগাই তোলে।

→ ৰংপি পাৰ্টগে, চতুৰ্থ ষাণ্মা-

# মোৰ অসম মোৰ গৌৰৱ

"সংস্কৃতি হৈছে জাতি এটাৰ আত্মা।"

"নিজৰ শিল্প জানিলেহে সাহিত্যৰ উন্নতি সম্ভৱ।"

"ঐতিহ্য ৰক্ষা কৰা মানে নিজৰ পৰিচয় ৰক্ষা কৰা।"

"অসম সৰলতা, সৌন্দৰ্য আৰু ঐশ্বৰ্যৰ ভূমি।"

নাম - দিপান্বীতা বৰুৱা
- চতুৰ্থ ষাণ্মাসিক

দুলীয়াজান মহাবিদ্যালয়

विधया साधयेत्

দুলীয়াজান মহাবিদ্যালয়